**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে।

২। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে।

৩। ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত, কৰ্তব্য পথত সেনা শক্তিৰ প্ৰদৰ্শনৰ বাবে সেনা বাহিনী সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে।

৪। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে জম্মু-কাশ্মীৰত অহা সাত দিনত বনজুই লগাৰ প্ৰৱল সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত সতৰ্কতা জাৰি কৰিছে।

*আৰু*

৫। কোৱালালামপুৰত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ আই চি চি মহিলা ক্ৰিকেটৰ টি-২০ বিশ্বকাপৰ গ্ৰুপ-এৰ অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক ৬০ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্ম বাৰ্ষিকী উপলক্ষে মহান নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলা, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু আন আন নেতাসকলেও শ্ৰদ্ধা জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে অনুষ্ঠানত উপস্থিত থকা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। শ্ৰী মোদীয়ে ভাষণ প্ৰসংগত কয় যে, কেন্দ্ৰীয় চৰকাৰে যোগান ধৰা এহেজাৰ দুশৰো অধিক ইলেকট্ৰিক বাছ দিল্লীত চলি আছে আৰু এনেধৰণৰ বহু সংখ্যক বাছৰ ব্যৱস্থা কৰা হ'ব। শ্ৰী মোদীয়ে জলবায়ু পৰিৱৰ্তন ৰোধ কৰাত পি এম সূৰ্যঘৰ যোজনাৰ ভূমিকা সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলৰ আগত ব্যাখ্যা কৰে। তেওঁ কয়, যে এই আঁচনিৰ অংশ হিচাপে ঘৰৰ চাদত সৌৰ পেনেল লগোৱা হয় আৰু এই পেনেলসমূহে সৌৰ শক্তিৰ জৰিয়তে বিদ্যুৎ উৎপাদন কৰে। ফলস্বৰূপে বিদ্যুৎৰ মাচুল ৰাহি হয়। তেওঁ লগতে কয়, যে এনে ধৰণে উৎপাদন কৰা বিদ্যুৎ বৈদ্যুতিক বাহনত ব্যৱহাৰ কৰি জৈৱ ইন্ধন আৰু প্ৰদূষণৰ পৰা হাত সাৰিব পাৰি। সৌৰ পেনেলৰ জৰিয়তে ঘৰত উৎপাদিত বিদ্যুৎ ৰাহি হ'লে সেইখিনি চৰকাৰক বিক্ৰী কৰিব পাৰি বুলি প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয়, যে ইয়াৰ বাবে তেওঁলোকক আৰ্থিক অনুদানো প্ৰদান কৰা হ'ব।

ooooo

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছ দলৰ নেতাসকলে  ভোটদাতাক আকৰ্ষিত কৰাৰ চেষ্টাৰ লগতে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰোড শ্ব', ৰাজহুৱা সভা আৰু জনসাধাৰণৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলাইছে।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কিৰাড়ী সমষ্টিত এখন প্ৰচাৰ সভাত অংশ লৈ আম আদমী পাৰ্টীক সমালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় ৰাজধানীখনৰ শোচনীয় পথ আৰু স্বচ্ছতাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ নকৰা বুলি আপ চৰকাৰক অভিযোগ কৰে। যমুনা নদীৰ পৰিষ্কাৰকৰণৰ বিষয়টোলৈয়ো আপ চৰকাৰক সমালোচনা কৰি শ্ৰী আদিত্য নাথে আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে আন্না হাজাৰেক বিশ্বাসঘাটকতা কৰা বুলিও অভিযোগ তোলে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কেৰলবাগ আৰু জনকপুৰী সমষ্টিত কেইবাখনো জনসভাত অংশগ্ৰহণ কৰে।

বিজেপিৰ সভাপতি জে পি নাড্ডায়ো আজি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত দিল্লীৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে আজি পালম অঞ্চলত এটা ৰোড শ্ব'ত ভাগ লয়।  মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে দলৰ অন্যান্য জ্যেষ্ঠ নেতাসকলৰ সৈতে মাদিপুৰ আৰু ৰোহিণী বিধানসভা সমষ্টিত প্ৰচাৰ অভিযানত অংশ লৈ জনসাধাৰণৰ সৈতে মত বিনিময় কৰে। আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালেও আজি তিনিখন প্ৰচাৰসভাত ভাগ লৈছে। পালম অঞ্চলত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি আম আদমী পাৰ্টীৰ নেতা তথা পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে তেওঁৰ দলে কৰ্মৰ ৰাজনীতি কৰে বুলি দাবী কৰে। আপে পুনৰ দিল্লী বিধানসভা নিৰ্বাচনত জয়লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আস্থা প্ৰকাশ কৰে। আম আদমী পাৰ্টীৰ নেতা সঞ্জয় সিঙে আজি সন্ধিয়া ম'তিনগৰ আৰু মডেল বিধানসভা সমষ্টিত প্ৰচাৰ অভিযানত ভাগ লয়।

জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে দলীয় প্ৰাৰ্থী আলি মেহদিৰ সমৰ্থনত মুস্তাফাবাদ সমষ্টিত এখন বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। দিল্লীৰ কংগ্ৰেছ সভাপতি দেৱেন্দ্ৰ যাদৱ আৰু জ্যেষ্ঠ নেতা পৱন খেৰাৰ উপৰি অন্যান্য জ্যেষ্ঠ নেতাসকলে আজি দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে দলৰ শীৰ্ষ গীত মুকলি কৰে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰী খেৰাই ৰাজধানী চহৰখনত সুৰা কেলেংকাৰীৰ বাবে আম আদমী পাৰ্টীক সমালোচনা কৰে।

ooooo

৭৬ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত কৰ্তব্য পথত সেনা শক্তিৰ প্ৰদৰ্শন কৰাৰ বাবে সেনা বাহিনী সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। নতুন দিল্লীত আজি সংবাদমাধ্যমৰ আগত মেজৰ জেনেৰেল সুমিত মেহতাই কয়, যে এইবাৰৰ গণৰাজ্য দিৱসৰ পেৰেডত যুদ্ধক্ষেত্ৰ নিৰীক্ষণ ব্যৱস্থা আৰু প্ৰতিৰক্ষা অনুসন্ধান আৰু বিকাশ সংস্থা, ডি আৰ ডি অ'ৰ প্ৰলয় যুদ্ধ প্ৰণালী মুখ্য আকৰ্ষণ হ'ব। পেৰেডত ভাষ্ম টি নাইনটি টেংক, নাগ মিছাইল পদ্ধতি, বজৰংগ লাইট স্পেচিয়েলিষ্ট ভেহিকল, নন্দিঘোষ তৎকাল প্ৰতিক্ৰিয়া বাহিনী বাহন, ব্ৰাহ্ম'ছ, অগ্নিবান, পিনাকা, আকাশ যুদ্ধ পদ্ধতিয়ে দেশৰ সেনা শক্তিক প্ৰদৰ্শন কৰিব। তদুপৰি শসস্ত্ৰ বাহিনী, কেন্দ্ৰীয় শসস্ত্ৰ আৰক্ষী বাহনী, আৰু এন চি চিৰ দলে পেৰেডত অংশগ্ৰহণ কৰিব। ২৬ জানুৱাৰী দিনৰ চাৰে ১০ বজাৰ পৰা পেৰেড আৰম্ভ হ'ব আৰু ৯০ মিনিট ধৰি এই পেৰেড কাৰ্যসূচী চলিব বুলি মেজৰ জেনেৰেল গৰাকীয়ে প্ৰকাশ কৰে। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'ৱো ছুবিয়াণ্টোই এইবাৰৰ গণৰাজ্য দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ পৰিপ্ৰেক্ষিতত   ইণ্ডোনেছিয়াৰ সেনা

আৰু বেঙে গণৰাজ্য দিৱসৰ পেৰেডত অংশ ল'ব। আকাশবাণীৰ বাতৰিৰ সৈতে ইণ্ডোনেছিয়া সেনাৰ ব্ৰিগেডিয়াৰ ক্ৰিষ্টোমেই ছিয়াস্তুৰিয়ে এটা আছুতিয়া সাক্ষাৎকাৰত কয়, যে পেৰেডত দেশখনৰ ৩৫২ গৰাকী সেনা জোৱানে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে গণৰাজ্য দিৱসৰ পেৰেডত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক প্ৰতিনিধিত্ব কৰা মুঠ ২৬ টা প্ৰতীকপটে দেশৰ সাংস্কৃতিক বিবিধতা প্ৰদৰ্শন কৰিব। **স্বৰ্নিম ভাৰত ঃ বিৰাচত অউৰ বিকাশ** মূল মন্ত্ৰৰে এই প্ৰতীকপটসমূহ নিৰ্মাণ কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে জম্মু-কাশ্মীৰত অহা সাত দিনত বনজুই লগাৰ প্ৰৱল সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত সতৰ্কতা জাৰি কৰিছে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ বিভিন্ন অংশত, বিশেষকৈ জম্মু খণ্ডত বহু দিন ধৰি থকা শুকান বতৰৰ বাবে বনজুই লগাৰ সম্ভাৱনা বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে এনে ঘটনা সংঘটিত হ'লে তৎকালে কৰ্তৃপক্ষক অৱগত কৰিবলৈ নিৰ্দেশ দিছে। আজিৰে পৰা অহা ৩০ জানুৱাৰীলৈ এই সতৰ্কতা জাৰিৰ নিৰ্দেশ বাহাল থাকিব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি জম্মু-কাশ্মীৰ খণ্ডত যোৱা ১ জানুৱাৰীৰ পৰা কালিলৈকে ৮১ শতাংশ বৰষুণ হ্ৰাস পাইছে। এই সময়ছোৱাত পূৰ্বে হোৱা ৬০ দশমিক ৫ মিলিমিটাৰ বৰষুণৰ পৰিৱৰ্তে কেৱল ১১ দশমিক ৪ মিলিমিটাৰ বৰষুণ হৈছে বুলি সূত্ৰটোত প্ৰকাশ পাইছে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে আজি প্ৰয়াগৰাজৰ মহাকুম্ভ নগৰৰ চেক্টৰ ফ'ৰত স্থাপন কৰা আকাশবাণী আৰু দূৰদৰ্শনৰ শিবিৰ কাৰ্যালয় পৰিদৰ্শন কৰি মহাকুম্ভৰ বিস্তৃত কাৰ্যসূচীৰ সম্প্ৰচাৰ ব্যৱস্থাৰ পৰ্যালোচনা কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সচিবগৰাকীয়ে কয়, যে প্ৰচাৰ ভাৰতীয়ে মহাকুম্ভৰ সম্প্ৰচাৰৰ বাবে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে আৰু মহাকুম্ভৰ বিভিন্ন কাৰ্যসূচী তথা কাৰ্যকলাপৰ সৈতে জড়িত তথ্যসমূহ প্ৰচাৰ কৰিছে। তেওঁ কয়, যে আকাশবাণী আৰু দূৰদৰ্শনে মহাকুম্ভৰ গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় বিষয়সমূহ প্ৰচাৰ কৰাৰ ক্ষেত্ৰতো বিশেষ ভূমিকা পালন কৰিছে। ত্ৰিবেনী সংগমত ভক্তসকলে একেলগে পৱিত্ৰ স্নান কৰাৰ জৰিয়তে মহাকুম্ভই একতাৰ বাৰ্তা বিয়পাইছে বুলি শ্ৰী জাজুৱে উল্লেখ কৰে। সচিবগৰাকীয়ে পাছত মহাকুম্ভমেলাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰদৰ্শনিকে ধৰি ভাৰত চৰকাৰৰ বিভিন্ন প্ৰদৰ্শনীসমূহ প্ৰত্যক্ষ কৰে। ইয়াৰ পূৰ্বে দিনৰ ভাগত শ্ৰী জাজুৱে ত্ৰিৱেনী সংগমত পৱিত্ৰ স্নান কৰে।

০০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰী অহা দেওবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে চীনলৈ যাব। এই ভ্ৰমণকালত তেওঁ বিদেশ সচিব আৰু উপ-মন্ত্ৰী পৰ্যায়ত গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই দ্বিপাক্ষিক বৈঠকত প্ৰতিনিধি পৰ্যায়ৰ চুক্তিকে ধৰি ভাৰত আৰু চীনৰ মাজৰ ৰাজনৈতিক, অৰ্থনৈতিক তথা জনসাধাৰণৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰি তোলা সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০০

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে ২৭ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ নতুন দিল্লীত **লোক সম্বৰ্ধন পৰ্ব**ৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি এই অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ৯০

গৰাকী শিল্পীয়ে ভাগ ল'ব। শিল্পীসকলে মহাৰাষ্ট্ৰৰ আজ্ৰাক শৈলীৰে প্ৰস্তুত কৰা শাৰী, দুপাট্টা, উত্তৰ প্ৰদেশৰ বেনাৰস ব্ৰোকেড, অসমৰ বাঁহ-বেতৰ শিল্প, কৰ্ণাটকৰ ছেন্নাপাটনা পুতলা আৰু পশ্চিমবংগৰ কাণ্ঠা চিলাই শিল্প প্ৰদৰ্শন কৰিব। অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলে ভাৰতৰ বিচিত্ৰ খাদ্য-সম্ভাৰৰ সোৱাদ ল'ব পাৰিব। অহা ৩১ জানুৱাৰীৰ পৰা সংখ্যালঘু সম্প্ৰদায়ৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ প্ৰদৰ্শনৰ বাবে বিশেষ সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

ooooo

কোৱালালামপুৰত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ আই চি চি মহিলা ক্ৰিকেটৰ টি-২০ বিশ্বকাপৰ গ্ৰুপ-এৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক ৬০ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১১৮ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অপেনাৰ গ'ংগাৰি তৃষাই ৪৯ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই কেৱল ৫৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ছবনম ছাকিল, যোশিতা ভিজে আৰু পাৰুনিকা ছিছোডিয়াই ২টাকৈ উইকেট দখল কৰে। ভাৰতৰ গ'ংগাৰি তৃষাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooo

সমাপ্ত